# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

## Chapter – 3

## অংকুৰণ

## ASSAMESE

---

**পাঠটোৰ মূলকথা :-** অসমৰ অন্যতম শিল্পীসাধক হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা।তেওঁ একেবাহে গীতচক, সুৰকাৰ, নাট্যকাৰ আৰু বোলছবি পৰিচালক।১৯০৩ চনৰ ১৭ জুনত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত তেওঁৰ জন্ম হয়।পিতৃৰ নাম পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম কিৰণময়ী দেৱী।ডিব্ৰুগড়ত শিক্ষা লাভ কৰি লণ্ডনলৈ শিক্ষালাভৰ বাবে গৈছিল।তেওঁ বোলছবিৰ শিক্ষা ল'বলৈ জাৰ্মানীৰ বাৰ্লিনলৈও গৈছিল। স্বদেশলৈ ঘূৰি আহি তেওঁ প্ৰথম অসমীয়া বোলছবি 'জয়মতী' নিৰ্মাণ কৰিছিল 'শোণিতকুঁৱৰী' নামৰ উল্লেখযোগ্য নাটখন তেওঁ ৰচনা কৰিছিল। তেওঁ অসমীয়া সংস্কৃতিক ন-ন ৰূপত ৰূপদান কৰি ৰূপকোঁৱৰৰ আখ্যা লাভ কৰে। ১৯৫১ চনৰ ১৭ জানুৱাৰী তেওঁৰ পৰলোক প্ৰাপ্তি ঘটে।তেওঁৰ মৃত্যুৰ দিনটো অসমত শিল্পী দিৱস হিচাপে পালিত হয়।

### ক – পাঠভিত্তিক ক্ৰিয়া-কলাপ

**প্ৰঃ ১। কোৱা আৰু লিখা :**

**(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান ক'ত ?**

উত্তৰ :- ডিব্ৰুগড়ৰ তামোলবাৰী চাহ-বাগিচা।

**(খ) উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ যোৱা ঠাইখন কি ?**

উত্তৰ :- লণ্ডন।

**(গ) তেখেতৰ পূৰ্বপুৰুষসকল ক'ৰ ?**

উত্তৰ :- ৰাজস্থানৰ।

**(ঘ) বোলছবিৰ বিষয়ে শিক্ষা লোৱা ঠাইখন কি ?**

উত্তৰ :- জাৰ্মানীৰ বাৰ্লিন।

**(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা প্ৰথম বোলছবিখনৰ নাম কি ?**

উত্তৰ :- 'জয়মতী'।

**(ট) তেখেতে চৈধ্য বছৰ বয়সতে ৰচনা কৰা নাটকখনৰ নাম কি ?**

উত্তৰ :- "শোণিতকুৱঁৰী"।

**প্ৰঃ ২। উত্তৰ দিয়া :**

**(ক) জ্যোতিপ্ৰসাদ আগৰৱালাক কিয় 'ৰূপকোঁৱৰ' আখ্যাৰে বিভূষিত কৰা হৈছে ?**

উত্তৰ :- অসমীয়া সংস্কৃতিক ন-ন ৰূপ দিয়াৰ বাবে জ্যোতিপ্ৰসাদ আগৰৱালাক 'ৰূপকোঁৱৰ' আখ্যা দিয়া হৈছে।

**(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিনটো কিয় 'শিল্পী দিৱস' হিচাপে পালন কৰা হয় ?**

উত্তৰ :- জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে তেখেতৰ মৃত্যুৰ দিনটো 'শিল্পী দিবস' হিচাপে পালন কৰা হয়।

**প্ৰঃ ৩। তলৰ শব্দবোৰ পাঠত বিচাৰি পঢ়া। দলত আলোচনা কৰি শব্দৰ লগত অৰ্থ কাঁড় চিনেৰে মিলোৱা।**

উত্তৰ :-

| **শব্দ** | **অৰ্থ** |
|---|---|
| সম্ৰাপ্ত | মান্য, সম্মান পোৱাৰ যোগ্য। |
| নিগাজিকৈ | স্থায়ীভাৱে। |

| | |
|---|---|
| নিৰ্মাণ | সজা, গঢ়া, তৈয়াৰ কৰা, প্ৰস্তুত কৰা কাৰ্য। |
| বিভূষিত | অলংকৃত। |
| অৱদান | দান, বৰঙণি। |

**প্ৰঃ ৪। শুদ্ধ উত্তৰটোৰে বাক্যটো পুনৰ লিখা :**

**(ক) ১৯০৩ চনত / ১৯০৪ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল।**

উত্তৰ :- ১৯০৩ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল।

**(খ) জয়মতী/ইন্দ্ৰমালতী প্ৰথম অসমীয়া বোলছবি।**

উত্তৰ :- জয়মতী প্ৰথম অসমীয়া বোলছবি।

**(গ) ১৭ জানুৱাৰী/১৭ জুন তাৰিখে 'শিল্পী দিৱস' পালন কৰা হয়।**

উত্তৰ :- ১৭ জানুৱাৰী তাৰিখে 'শিল্পী দিৱস' পালন কৰা হয়।

**(ঘ) ১৭ জুন জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন/মৃত্যুদিন।**

উত্তৰ :- ১৭ জুন জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন।

## খ – ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)

**প্ৰঃ ১। এটা শব্দত প্ৰকাশ কৰোঁ আহা—**

**উদাহৰণ :- গীত গোৱা লোক**

উত্তৰ :- গায়ক।

**(ক) গীতত সুৰ দিয়া লোক।**

উত্তৰ :- সুৰকাৰ।

**(খ) গীত ৰচনা কৰা লোক।**

উত্তৰ :- গীতিকাৰ।

**(গ) অভিনয় কৰা লোক।**

উত্তৰ :- অভিনেতা।

**(ঘ) নাটক ৰচনা কৰা লোক।**

উত্তৰ :- নাট্যকাৰ।

**(ঙ) ভাও দিয়া লোক।**

উত্তৰ :- ভাৱৰীয়া।

**প্ৰঃ ২। বাক্য গঠন কৰা :**

**নিৰ্মাণ, নিগাজি, অৱদান, বোলছবি।**

উত্তৰ :- **নিৰ্মাণ :-** জ্যোতিপ্ৰসাদ আগৰৱালাই বোলছবি নিৰ্মাণ কৰিছিল।

**নিগাজি :-** ৰাজস্থানৰ পৰা আহি জ্যোতিপ্ৰসাদ আগৰৱালাৰ পূৰ্বপুৰুষে তেজপুৰত নিগাজিকৈ বাস কৰিছিল।

**অৱদান :-** জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া সংস্কৃতিলৈ বৃহৎ অৱদান যোগাই থৈ গৈছে।

**বোলছবি :-** প্ৰথম অসমীয়া বোলছবি জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰিছিল।

**প্ৰঃ ৩। যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা—**

**কণ্ঠ :-** ণ্ঠ  ণ+ঠ  ণই ঠই   ণ্ঠ

**শিল্পী :-** ল্প ল+প লই পই  ল্প

**সম্ভ্ৰান্ত :-** ম্ভ্ৰ ম+ভ  মই ভই ম্ভ তাত ৰ-কাৰে  ম্ভ্ৰ

**সংস্কৃতি :-** স্কৃ স+ক+ঋ সই কই স্ক তাত ঋ কাৰে স্কৃ

**ডিব্ৰুগড় :-** ব্ৰু ব+ৰ+উ বই ৰই ব্ৰ তাত উ কাৰে ব্ৰু।

**অণ্ড :-** ণ্ড ণ+ড  নই ডই ণ্ড

**দিল্লী :-** ল্লী ল+ল লই লই ল্ল তাত ঈ-কাৰে ল্লী

**অন্ত :-** ন্ত ন+ত নই তই ন্ত

**দুষ্কৃতি :-** ষ্কৃ  ষ+ক+ঋ ষই কই ষ্ক তাত ঋকাৰে ষ্কৃ

**অগ্নি :-** গ্নি  গ+ন+ই গই নই গ্ন তাত ইকাৰে গ্নি।

**প্ৰঃ ৪। যুক্তাক্ষৰ গঠন কৰোঁ আহা :**

ণ+ঠ  ণই  ঠই  ণ্ঠ

ল+প  লই পই ল্প

ম+ভ+ৰ  মই ভই ম্ভ তাত ৰ কৰে ম্ভ্ৰ

স+ক+ঋ সই কই স্ক তাত ঋ কৰে স্কৃ

ব+ৰ+উ বই ৰই ব্ৰ তাত উ কৰে ব্ৰু

ধ+ৰ+উ ধই ৰই ধ্ৰ তাত উ কৰে ধ্ৰু

ন+থ নই থই ন্থ ল্গ

ল+গ লই গই

ম+ৰ মই ৰই ম্ৰ

ষ+ক+ঋ ষই কই ষ্ক তাত ঋ কৰে ষ্কৃ

প+ৰ+উ পই ৰই প্ৰ তাত উ কৰে প্ৰু


## গ – জ্ঞান সম্প্ৰসাৰণ

**প্ৰঃ ৫। খালি ঘৰত যুক্তাক্ষৰ লিখি শব্দবোৰ পঢ়োঁ আহা—**

**ন্ঠ কণ্ঠ বৈকু...ন্ঠ ..... অ ....ন্ঠ ....ক ....ন্ঠ....**

উত্তৰ :- ল্প শিল্প কল্পনা কল্পতৰু

**প্ৰঃ ৬। যুক্তাক্ষৰ ভাঙি লিখা—**




উত্তৰ :- ব্ৰু=ব+ৰ ব্ৰ তাত উ-কাৰে ব্ৰু৷

ধ্ৰু =ধ+ৰ ধ্ৰ তাত উ-কাৰে ধ্ৰু৷

ম্ভ্ৰ =ম+ভ ম্ভ তাত ৰ-কাৰে ম্ভ্ৰ৷

**প্ৰঃ ৭। তলত দিয়াবোৰৰ উত্তৰ লিখা।**

**(ক) অসমৰ সংগীত সূৰ্য ?**

উত্তৰ :- ডা ভূপেন হাজৰিকা।

**(খ) অসমৰ নট সূৰ্য ?**

উত্তৰ :- ফণী শৰ্মা।

**(গ) অসমৰ কলাগুৰু।**

উত্তৰ :- বিষ্ণুপ্ৰসাদ ৰাভা।

**(ঘ) অসমৰ গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী।**

উত্তৰ :- প্ৰতিমা বৰুৱা পাণ্ডে।

**(ঙ) অসমৰ জিকিৰ সম্ৰাট ?**

উত্তৰ :- ৰেকিবউদ্দিন আহমেদ।

**প্ৰঃ ৮। উত্তৰ দিয়া :**

**(ক) আইদেউ সন্দিকৈ কোন আছিল ?**

উত্তৰ :- আইদেউ সন্দিকৈ অসমীয়া বোলছবিৰ প্ৰথম নায়িকা আছিল।

**(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কোনখন বোলছবিত আইদেউ সন্দিকৈয়ে কি ভূমিকাত অভিনয় কৰিছিল ?**

উত্তৰ :- জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' বোলছবিত আইদেউ সন্দিকৈয়ে জয়মতীৰ ভূমিকাত অভিনয় কৰিছিল।

**(গ) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা একাধাৰে কি আছিল ?**

উত্তৰ :- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা একাধারে কবি, চিত্ৰকৰ, সুৰকাৰ, গীতিকাৰ, নাট্যকাৰ, পৰিচালক, প্ৰযোজক, গায়ক, প্ৰৰন্তকাৰ আছিল।

**প্ৰঃ ৯। উত্তৰ দিয়া :**

**(ক) বিদ্যালয়ত তোমালোকে কি কি দিবস পালন কৰা তাৰ এখন তালিকা প্ৰস্তুত কৰা।**

উত্তৰ :- বিদ্যালয়ত পালন কৰা দিবসবোৰ হ'ল – স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, গান্ধীজয়ন্তী, বিশ্ব পৰিৱেশ দিৱস, শিল্পী দিৱস, বিষ্ণুৰাভা দিৱস, শিক্ষক দিৱস, শিশু দিৱস ইত্যাদি।

**(খ) কেইখনমান অসমীয়া বোলছবিৰ নাম কোৱা।**

উত্তৰ :- কেইখন অসমীয়া বোলছবি হল জয়মতী, ৰুপহী, পাৰঘট, বেউলা, নিমিলা অংক, লাচিত বৰফুকন, প্ৰতিধ্বনি, এৰা বাটৰ সুৰ, হৃদয়ৰ প্ৰয়োজন, তামাই, ডাঃ বেজবৰুৱা, শকুন্তলা, সন্ধ্যাৰাগ ইত্যাদি।

**(গ) তোমাৰ বিদ্যালয়ত 'শিল্পী দিৱস' কেনেদৰে উদ্‌যাপন কৰা সেই বিষয়ে পাঁচটা বাক্য লিখা।**

উত্তৰ :- শিল্পী দিৱস আমাৰ বিদ্যালয়ত উৎসাহ-উদ্দীপনাৰে পালন কৰা হয়। সেইদিনা বিদ্যালয়ত শিল্পী দিৱস পালনৰ বাবে অস্থায়ী মঞ্চ সজা হয়। সেই মঞ্চত শিক্ষক সকলৰ দিহা মতে গীত-মাত পৰিৱেশন কৰা হয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৰ্মৰ ভিত্তিত কুইজ প্ৰতিযোগিতা আৰু জ্যোতিসংগীত প্ৰতিযোগিতা, বচনা প্ৰতিযোগিতা, আবৃত্তি প্ৰতিযোগিতা আদি পাতি জ্যোতিপ্ৰসাদক আৰু তেওঁৰ অৱদানক স্মৰণ কৰা হয়। এই দিৱস পালনৰ জৰিয়তে আমি সাহিত্য-সংস্কৃতিৰ সৈতে পৰিচিত হোৱাৰ লগতে নিজৰ প্ৰতিভা বিকাশৰো সুযোগ লাভ কৰোঁ।

## ঘ – প্ৰকল্প

**প্ৰঃ ১। জ্যোতিপ্ৰসাদ আগৰৱালাই তোমালোকৰ বাবে ৰচনা কৰা 'ঘোঁৰা ডাঙৰীয়া' নামৰ নাটিকাখন শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰী লগ হৈ অভিনয় কৰা।**

উত্তৰ :- নিজে নিজে আনসকলৰ সৈতে মিলি শিক্ষকৰ তত্ত্বাবধানত নাটিকাখিনি অভিনয় কৰি চোৱা।

**প্ৰঃ ২। জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত সংগ্ৰহ কৰি দলত পৰিবেশন কৰা।**

উত্তৰ :- নিজে কৰা।